Total number of printed pages–7

**63/1 (SEM–6) CC13/ASMHC 6136**

**2024**

# ASSAMESE

Paper : ASMHC 6136

***(Introduction to Assamese Biography and Autobiography)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) ইংৰাজী সাহিত্যত 'বায়োগ্ৰাফি' শব্দটো ব্যৱহৃত হয়

*(i)* ১৬৮৩ চনত

*(ii)* ১৭৮৩ চনত

*(iii)* ১৮৮৩ চনত

*(iv)* ১৯৮৩ চনত

*Contd.*

(খ) জীৱনী হ'ল 'সাহিত্য ৰূপত মানুহৰ গাইগুটীয়া জীৱনৰ ইতিহাস' এই অভিমত কাৰ ?

*(i)* অক্সফাড্ ডিক্সন্‌ৰি

*(ii)* হেৰল্ড নিকোলচন

*(iii)* জন এ. গেৰেটি

*(iv)* পল মাৰি কেণ্ডেল

(গ) মণিৰাম দেৱানৰ ফাঁচী হৈছিল

*(i)* ১৮৫৮ চনত

*(ii)* ১৮৫৯ চনত

*(iii)* ১৮৬০ চনত

*(iv)* ১৮৬১ চনত

(ঘ) 'হিষ্টৰি অফ্ দা লাইফ অব্ মাকচি টুলিয়াচ্ চিচাৰে'ৰ লিখক হ'ল

*(i)* কৰ্নিয়াচ মিডল্টন

*(ii)* চেমুৱেল জন্‌চন

*(iii)* জেইম্‌চ বজৱেল

*(iv)* নিকোলচন্



(ঙ) গুণাভিৰাম বৰুৱা আছিল

*(i)* বুৰঞ্জীবিদ, সমাজ সংস্কাৰক

*(ii)* চুটিগল্পকাৰ

*(iii)* ঔপন্যাসিক

*(iv)* চাহ খেতিয়ক

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হৈছিল

*(i)* আহতগুৰিত

*(ii)* যোৰহাটত

*(iii)* ভেলাগুৰিত

*(iv)* শিমুলগুৰিত

(ছ) সৌমাৰ ভ্ৰমণ গ্ৰন্থৰ প্ৰণেতা

*(i)* গুণাভিৰাম বৰুৱা

*(ii)* মণিৰাম দেৱান

*(iii)* লক্ষ্মীনাথ বেজবৰুৱা

*(iv)* যোগেন্দ্ৰ নাৰায়ণ ভূঞা

(জ) গুণাভিৰাম বৰুৱাই সাহিত্যিক জীৱনৰ পাতনি মেলিছিল

*(i)* অৰুণোদয়ৰ পাতত

*(ii)* জোনাকীৰ পাতত

*(iii)* আসাম বন্ধুৰ পাতত

*(iv)* আবাহনৰ পাতত

(ঝ) 'মোৰ জীৱন সোৱৰণ' গ্ৰন্থৰ প্ৰণেতা

*(i)* লক্ষ্মীনাথ বেজবৰুৱা

*(ii)* মণিৰাম দেৱান

*(iii)* যোগেন্দ্ৰ নাৰায়ণ ভূঞা

*(iv)* গোবিন্দ প্ৰসাদ শৰ্মা

(ঞ) লক্ষ্মীনাথ বেজবৰুৱাৰ পিতৃৰ নাম কি আছিল ?

*(i)* দীননাথ বেজবৰুৱা

*(ii)* গোবিন্দ বেজবৰুৱা

*(iii)* গোপাল চন্দ্ৰ বেজবৰুৱা

*(iv)* ভোলানাথ বৰুৱা



২। চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) জীৱনীৰ দুটা ধাৰা লিখা।

(খ) মণিৰাম দেৱানৰ পিতৃ আৰু মাতৃৰ নাম লিখা।

(গ) গুণাভিৰাম বৰুৱাই লিখা দুখন বুৰঞ্জীৰ নাম লিখা।

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনত প্ৰভাৱ পেলোৱা দুজন ব্যক্তিৰ নাম লিখা।

(ঙ) হোমেন বৰগোহাঞিদেৱে গুৱাহাটীত ভৰি দিয়েই কি দুটা অভিজ্ঞতাৰ সন্মুখীন হ'ব লগা হৈছিল ?

(চ) আত্মজীৱনীৰ দুটা বৈশিষ্ট্য লিখা।

(ছ) জীৱনী আৰু আত্মজীৱনীৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতি সম্পৰ্কে চমুকৈ লিখা।

(খ) হোমেন বৰগোহাঞিদেৱে কটন কলেজত পঢ়াৰ সময়ত হোৱা এটি ঘটনাৰ বিষয়ে লিখা।

(গ) "When life is not banal, it is often tragic." কোনে কি প্ৰসংগত উক্ত কথাষাৰ কৈছিল ?

(ঘ) মোৰ জীৱন সোঁৱৰণত লক্ষ্মীনাথ বেজবৰুৱাদেৱে কলিকতাত চন্দ্ৰ মোহন গোস্বামীদেৱক লগ পাওঁতে তেখেতে কি কি কথা কৈছিল লিখা।

(ঙ) বেণুধৰ শৰ্মাৰ সাহিত্যকৃতি সম্পৰ্কে চমুকৈ লিখা।

(চ) ৰামনৱমী নাটকৰ বিষয়বস্তু কি আছিল ?

(ছ) গুৱাহাটীৰ পৰা নাৱেৰে শিৱসাগৰলৈ আহোঁতে বেজবৰুৱাৰ মনত উদয় হোৱা ভাবৰ বৰ্ণনা দিয়া।

(জ) 'মোৰ জীৱন সোঁৱৰণ'ত বেজবৰুৱাদেৱে তেখেতৰ শৈখিক জীৱনৰ কথা কেনেদৰে বৰ্ণনা কৰিছে লিখা।

(ঝ) আন্দ্ৰে ম'ৰৱাই তেওঁৰ জীৱনীৰ নীতিশাস্ত্ৰত কি কি নীতি বান্ধি দিছিল ?

(ঞ) অসমীয়া জীৱনী পাল মৰা বিধৰ বুলি কোনে কি কাৰণে কৈছিল লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) মোৰ জীৱন সোঁৱৰণৰ ষষ্ঠ অধ্যায়ত উল্লেখিত বেজবৰুৱাদেৱৰ নিত্যকৰ্ম সম্পৰ্কে বহলাই লিখা।



(খ) আত্মানুসন্ধানত উল্লেখিত হোমেন বৰগোহাঞিদেৱে তৃতীয় বাৰ্ষিকত নাম লগোৱাৰ লগে লগে হোৱা পৰিৱৰ্তনবোৰ বহলাই আলোচনা কৰা।

(গ) উনবিংশ শতিকাৰ আধুনিক সাহিত্যৰ পথ প্ৰদৰ্শক হিচাপে গুণাভিৰাম বৰুৱা কিমান দূৰ সফল হৈছিল বহলাই আলোচনা কৰা।

(ঘ) নতুন জীৱনী আৰু আত্মজীৱনীৰ মাজত থকা পাৰ্থক্যবোৰ বহলাই লিখা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) বেণুধৰ শৰ্মাদেৱে 'মণিৰাম দেৱান' জীৱনী সাহিত্যখনত মণিৰাম দেৱানৰ কৰ্ম আৰু সাহিত্যিক কৰ্মৰাজিক কেনেকৈ উপস্থাপন কৰিছে বহলাই লিখা।

(খ) আত্মজীৱনী হিচাপে আত্মানুসন্ধানৰ বিচাৰ কৰা।

(গ) জীৱনী, নতুন জীৱনী আৰু আত্মজীৱনীৰ মাজত থকা মিল-অমিলবোৰ বিচাৰ কৰা।

———